ৰাজত্বকালত ভাৰতীয় শিল্পকলাত ভাৰতীয়, গ্ৰীক আৰু আকায়েমেনিয়ানৰ আদৰ্শৰ এটা মিশ্ৰিত সমাহাৰ ঘটিছিল। ভি, এ স্মিথেও ভাৰতীয় শিল্পকলাত গ্ৰীক আৰু পাৰ্চীয়ান শিল্পকলাৰ প্ৰভাৱ থকা বুলি দৃঢ়তাৰে প্ৰকাশ কৰে। আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ পিছত বহুতো গ্ৰীক সৈনিক আৰু ভাস্কৰ ভাৰতত ৰৈ গৈছিল। অশোকে তেওঁলোকৰ সহায়তে স্তম্ভ নিৰ্মাণ কৰিছিল। ড° মুখাৰ্জীয়ে অশোকৰ শিল্পকলাত বিদেশীৰ প্ৰভাৱ স্বীকাৰ কৰিছিল। তেওঁৰ মতে পশ্চিমীয়া দেশৰ সৈতে ভাৰতৰ সম্পৰ্ক আছিল আৰু ভাৰত আছিল হেলেনিক সংস্কৃতি আৰু সভ্যতাৰ সৈতে জড়িত। সেয়ে বিভিন্ন ৰাজ্যৰ শিল্পই এটা উমৈহতীয়া উপাদান আৰু বৈশিষ্ট্যৰূপে ভাৰত আৰু পাৰ্চীয়াত পৰিস্ফূট হৈছে। আনহাতে বহুতো পণ্ডিতে মৌৰ্য্য শিল্পকলাত বিদেশীৰ প্ৰভাৱ অস্বীকাৰ কৰে। তেওঁলোকৰ মতে অশোকৰ স্তম্ভবোৰ সম্পূৰ্ণৰূপে ভাৰতীয় আদৰ্শত নিৰ্মিত। তেওঁলোকৰ মতে অশোকৰ স্তম্ভ এটুকুৰা শিলেৰে গঠিত কিন্তু পাৰ্চীয়ান স্তম্ভ বহুতো শিলৰ টুকুৰাৰে গঠিত। অশোকৰ স্তম্ভ পাৰ্চীয়ান স্তম্ভতকৈ মিহি।

## III. পৰৱৰ্তী মৌৰ্য্য যুগ : শূঙ্গসকল, পশ্চিমীয়া ক্ষত্ৰপসকল, সাতবাহন আৰু কুশানসকল (Post Mauryan period : Sungas, Western Kshatrapas, Satavahanas & Kushanas)

### শূংগসকল (Sungas) ১৮৪ খৃঃপূঃ — ৭২ খৃঃপূঃ

মৌৰ্য্য ৰজাৰসকলে লাভ কৰা ৰাজনৈতিক একতা অশোকৰ উত্তৰাধিকাৰীসকলৰ ৰাজত্বকালত বিঘ্নিত হৈছিল আৰু মৌৰ্য্য সাম্ৰাজ্য ভাঙি টুকুৰা-টুকুৰ হৈ পৰিছিল। ইয়াৰ ফলত মৌৰ্য্য সাম্ৰাজ্যৰ ভেটিত বহুকেইখন স্বাধীন ৰাজ্যই মূৰ দাঙি উঠিছিল। ইয়াৰ ফলত গ্ৰীক, শক, পহ্লৱ আৰু

Scanned by CamScanner

কুশান আদি বিদেশী আক্ৰমণকাৰীয়ে মৌৰ্য্য সাম্ৰাজ্য বা ভাৰত আক্ৰমণ কৰিছিল আৰু ইয়াৰ লগে লগে ৰাজ্যখন পুনৰ ৰাজনৈতিকভাৱে অস্থিৰ হৈ পৰিছিল। এনেদৰে মৌৰ্য্য সাম্ৰাজ্য পতনৰ পিছত বহুতো গুৰুত্বপূৰ্ণ ৰাজ্যৰ উত্থান হৈছিল। এইবোৰৰ ভিতৰত প্ৰথমখন ৰাজ্য আছিল মৌৰ্য্যৰ ভেটিত গঢ়ি উঠা শৃংগ ৰাজ্য।

মৌৰ্য্যসকলৰ পিছতে শৃঙ্গসকলে ১১২ বছৰ ৰাজ্য শাসন কৰিছিল। (১৮৪ খৃঃপূঃ পৰা ৭২ খৃঃপূঃলৈ)। মৌৰ্য্যৰ পৰৱৰ্তীকালৰ ইতিহাসৰ প্ৰধান সমল আছিল পুৰাণ, গৰ্গী সংহিতা, পতঞ্জলীৰ মহাভাষ্য, দিব্যবদন, বাণৰ হৰ্ষচৰিত আৰু কালিদাসৰ মালবিকাগ্নি মিত্ৰম। ইয়াৰ উপৰিও অযোধ্যা, বিদিশা আৰু বাৰহুত লিপি আৰু মুদ্ৰাৰ পৰাও মৌৰ্য্যৰ পৰৱৰ্তীকাল বা শৃঙ্গ বংশৰ ইতিহাস উদ্ধাৰ কৰিব পাৰি। মৌৰ্য্যৰ শেষ ৰজা বৃহদ্ৰথৰ প্ৰধান সেনাপতি পুষ্যমিত্ৰ শৃঙ্গই ১৮৪ খৃঃত মৌৰ্য্য ৰজা বৃহদ্ৰথক বধ কৰি শৃঙ্গ বংশৰ ভেটি স্থাপন কৰিছিল। বানৰ হৰ্ষচৰিতত উল্লেখ কৰা হৈছে যে দুষ্ট সামৰিক সেনাধ্যক্ষ পুষ্যমিত্ৰই সামৰিক বাহিনী প্ৰদৰ্শন কৰাৰ চলেৰে মৌৰ্য্যৰ বিশাল বাহিনীৰ কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰা সময়ত তেওঁৰ গৰাকী মৌৰ্য্য পৰিয়ালৰ বৃহদ্ৰথক বধ কৰিছিল। ইয়াৰ পৰা জনা যায় যে ৰজা বৃহদ্ৰথ ইমানেই দুৰ্বল আৰু বুদ্ধিহীন আছিল যে তেওঁ নিজৰ প্ৰজাক গ্ৰীক আক্ৰমণকাৰীৰ পৰা ৰক্ষণাবেক্ষণ দিব পৰা নাছিল আৰু ইয়াৰ বাবে ৰজাৰ বিৰুদ্ধে প্ৰজাৰ অসন্তোষ বৃদ্ধি পাইছিল। ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি পুষ্যমিত্ৰই মৌৰ্য্য সিংহাসন বলেৰে দখল কৰিছিল।

**শৃঙ্গসকলৰ উৎপত্তি (Origin of the Sungas) :** শৃঙ্গসকলৰ উৎপত্তি সম্পৰ্কে পণ্ডিতসকলৰ মাজত একতা পৰিলক্ষিত হোৱা নাই আৰু বিভিন্ন পণ্ডিতে বিভিন্ন মত আহবঢ়াইছে। পাণিনী আৰু কে, পি জয়ছোৱালৰ মতে শৃঙ্গসকল ভৰদ্বাজ গোত্ৰীয় ব্ৰাহ্মণ। ব্ৰাহ্মণলোকে সেনাপতি পদত অধিষ্ঠিত হোৱাৰ বহুতো উদাহৰণ আছে যেনে— দ্ৰোণাচাৰ্য্য, কৃপাচাৰ্য্য, অশ্বত্থামা,



পৰশুৰাম আদি। জয়ছোৱালৰ মতে শৃঙ্গসকল ব্ৰাহ্মণ আছিল আৰু তেওঁলোকে পাৰমাৰ্থিক (Theological) জগতত উচ্চ আসন লাভ কৰিছিল। পুষ্যমিত্ৰ শৃঙ্গ মৌৰ্য্যসকলৰ ৰাজপুৰোহিতৰ পৰিয়ালৰ বংশধৰ আছিল। কিছুমান পণ্ডিতে মতপ্ৰকাশ কৰিছে যে শৃঙ্গসকল ইৰাণীয়ান আছিল কাৰণ তেওঁলোকৰ নামৰ শেষত 'মিত্ৰ' শব্দ সংযোগ আছিল আৰু তেওঁলোকে সূৰ্য্য (মিত্ৰ) পূজা কৰিছিল। বৌদ্ধ প্ৰৱাদমতে শৃংগবংশৰ প্ৰতিষ্ঠাতা পুষ্যমিত্ৰ মৌৰ্য্য ৰজাৰ আত্মীয় আছিল। কালিদাসে তেওঁৰ মালবিকাগ্নিমিত্ৰমত উল্লেখ কৰিছে যে শৃঙ্গসকল কাশ্যপগোত্ৰীয় বিম্বিকা পৰিয়ালৰ বংশধৰ আছিল। একেদৰে মহাভাষ্যত শৃঙ্গসকলক ব্ৰাহ্মণ বুলি গণ্য কৰা হৈছে। এনেদৰে শৃঙ্গসকলৰ উৎপত্তিৰ বিষয়টো অন্ধকাৰত ডুব গৈছে। যিয়ে নহওক, সৰ্ব-সাধাৰণৰ মত অনুসৰি শৃঙ্গসকল ব্ৰাহ্মণ আছিল।

পুৰাণৰ বৰ্ণনামতে মগধৰ সাৰ্বভৌমত্ব মৌৰ্য্যৰ পৰা শৃঙ্গসকলৰ হাতলৈ গৈছিল। পুষ্যমিত্ৰই বৃহদ্ৰথক বধ কৰি সমগ্ৰ মৌৰ্য্য সাম্ৰাজ্যৰ ওপৰত আধিপত্য প্ৰতিষ্ঠা কৰিব পৰা নাছিল। ৰাজ্যখনৰ কিছুমান বিশেষ অঞ্চল যেনে কলিঙ্গ আৰু কাশ্মীৰে ইতিমধ্যে স্বাধীনতা ঘোষণা কৰিছিল। তেওঁ সম্ভৱত মগধ আৰু দক্ষিণে নৰ্মদালৈ বিস্তৃত প্ৰতিবেশী অঞ্চলৰ ওপৰত শাসন প্ৰতিষ্ঠা কৰিছিল। কিন্তু এইটো নিশ্চিত যে পাটলিপুত্ৰ শৃঙ্গসকলৰ ৰাজধানী হৈয়ে আছিল।

মৌৰ্য্যসকলৰ বিৰুদ্ধে সফল ষড়যন্ত্ৰ কৰি মগধত নিজকে প্ৰতিষ্ঠা কৰাৰ পিছত প্ৰতিবিপ্লৱৰ সকলো সুযোগ নাইকিয়া কৰি নিজৰ স্থান শক্তিশালী কৰিছিল। পুষ্যমিত্ৰই পৰৱৰ্তী মৌৰ্য্যসকলৰ বিৰোধীতাৰ সুযোগ নাইকিয়া কৰাৰ বাবে কিছুমান খৰতকীয়া পদক্ষেপ গ্ৰহণ কৰিছিল। পুষ্যমিত্ৰই ৰজা বৃহদ্ৰথৰ মন্ত্ৰীসকলক বন্দী কৰিছিল। মৌৰ্য্য সৈন্যবাহিনীক ইতিমধ্যে বশ কৰিছিল। তেওঁ পুত্ৰ আৰু আত্মীয়সকলক প্ৰাদেশিক গভৰ্নৰ হিচাবে নিয়োগ কৰিছিল। পুষ্যমিত্ৰই তেওঁৰ পুত্ৰ অগ্নিমিত্ৰক বিদিশাৰ গভৰ্নৰ হিচাবে, আত্মীয়

Scanned by CamScanner

বীৰসেনক নৰ্মদা জিলাত সীমান্ত গভৰ্নৰ হিচাবে (অন্তপাল) আৰু আন এজন আত্মীয়ক কোশলৰ গভৰ্নৰ হিচাবে নিয়োগ কৰিছিল।

**বিদৰ্ভৰ সৈতে যুদ্ধ (War with Vidarbha) :** পুষ্যমিত্ৰই বিদৰ্ভৰ সৈতে যুদ্ধত লিপ্ত হৈছিল। কালিদাসৰ মালবিকাগ্নিমিত্ৰমৰ পৰা জনা যায় যে বৃহদ্ৰথৰ সময়ত ৰাজসভা দুটা ভাগত বিভক্ত হৈছিল। ইয়াৰে এটা ভাগৰ নেতৃত্ব লৈছিল পুষ্যমিত্ৰই আৰু আনটো ভাগৰ নেতৃত্ব এজন মন্ত্ৰীয়ে গ্ৰহণ কৰিছিল। এইজন মন্ত্ৰীৰ পুত্ৰ যজ্ঞসেনে মৌৰ্য্যৰ শাসনকালত বিদৰ্ভৰ গভৰ্নৰ আছিল। তেওঁ মৌৰ্য্য ৰজা বৃহদ্ৰথৰ আত্মীয় আছিল। পুষ্যমিত্ৰ শৃঙ্গই শাসনভাৰ লোৱাৰ পিছতে যজ্ঞসেনে স্বাধীনতা ঘোষণা কৰিছিল। ইয়াৰ ফলত পুষ্যমিত্ৰ আৰু যজ্ঞসেনৰ মাজত শত্ৰুতা বৃদ্ধি পাইছিল। পুষ্যমিত্ৰই শাসনভাৰ লোৱাৰ পিছতে যজ্ঞসেনৰ পিতৃক বন্দী কৰিছিল আৰু মাধৱসেনক নিজৰ ফলীয়া কৰিছিল। কিন্তু যজ্ঞসেনে শৃঙ্গসকলক সমৰ্থন কৰাৰ অপৰাধত মাধৱসেনক বন্দী কৰিছিল। পুষ্যমিত্ৰই মাধৱসেনক মুকলি কৰি দিবলৈ যজ্ঞসেনক আদেশ দিছিল। কিন্তু যজ্ঞসেনে পিতৃৰ মুক্তিৰ বিনিময়তহে মাধৱসেনক এৰি দিয়াৰ চৰ্ত আৰোপ কৰিছিল। তেতিয়া পুষ্যমিত্ৰৰ পুত্ৰ অগ্নিমিত্ৰই যজ্ঞসেনৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল আৰু এই যুদ্ধত যজ্ঞসেন পৰাজিত হৈছিল। বিদৰ্ভ ৰাজ্যক দুটা ভাগত বিভক্ত কৰি এটা ভাগ মাধৱসেনৰ হাতত অৰ্পণ কৰা হৈছিল আৰু আনটো ভাগ চৰ্তসাপেক্ষে যজ্ঞসেনৰ হাতত ন্যস্ত কৰা হৈছিল। যজ্ঞসেনে শৃঙ্গ ৰজাৰ আধিপত্য স্বীকাৰ কৰিছিল।

**যৱণ যুদ্ধ (Yavana war) :** পুষ্যমিত্ৰই ক্ষমতা লাভ কৰাৰ পিছতে গ্ৰীক বা যৱণসকলৰ আক্ৰমণৰ মুখামুখী হৈছিল। গৰ্গী সংহিতাৰ বৰ্ণনামতে যৱণসকলে সকেতা, পঞ্চাল আৰু মথুৰা বিজয় কৰি পাটলিপুত্ৰলৈ আগবাঢ়িছিল। মৌৰ্য্য ৰাজ্য আক্ৰমণ কৰা যৱণ নেতাজনক দিমিত্ৰিয়াছ বুলি চিনাক্ত কৰা হৈছে। বেকট্ৰিয়াত দেখা দিয়া ৰাজনৈতিক সংকটৰ বাবে দিমিট্ৰিয়াছ ভাৰতৰ পৰা উভতি যাব লাগ হৈছিল। ৰাজত্বৰ শেষৰফালে



পুষ্যমিত্ৰই যৱণসকলৰ সৈতে আন এখন যুদ্ধত লিপ্ত হ'ব লগা হৈছিল। কালিদাসৰ মালবিকাগ্নিমিত্ৰমত উল্লেখ কৰা হৈছে যে পুষ্যমিত্ৰৰ নাতি বসুমিত্ৰ আৰু যৱণৰ মাজত যুদ্ধ হৈছিল। পুষ্যমিত্ৰই তেওঁৰ ৰাজত্বৰ শেষ সময়ত এটা অশ্বমেধ যজ্ঞ সম্পন্ন কৰিছিল। অশ্বমেধ যজ্ঞৰ ঘোঁৰা সিন্ধুৰ পাৰত ভ্ৰমি ফুৰোতে যৱন নেতা মিনান্দাৰে আটক কৰিছিল। অশ্বমেধ যজ্ঞৰ ঘোঁৰাৰ ৰক্ষক হিচাবে যোৱা বসুমিত্ৰৰ সৈতে যৱনসকলৰ তয়াময়া ৰণ হৈছিল আৰু এই ৰণত যৱনসকল পৰাজিত হৈছিল।

**কলিঙ্গৰ সৈতে যুদ্ধ (War with Kalinga) :** পুষ্যমিত্ৰ শৃঙ্গই কলিঙ্গৰ শাসক খাৰভেলৰ সৈতে যুদ্ধত জড়িত হৈ পৰিছিল। ১৬৫ খৃঃপূঃ ত মগধ ৰাজ্য আক্ৰমণ কৰি পাটলিপুত্ৰলৈ আগবাঢ়িছিল কিন্তু পুষ্যমিত্ৰই মথুৰাৰ পৰা কৌশলগতভাৱে সৈন্য অপসাৰণ কৰাত খাৰভেলই আগবাঢ়ি যোৱা নাছিল। কিছুবছৰ পাছত খাৰেভেলই দ্বিতীয়বাৰৰ বাবে মগধ আক্ৰমণ কৰিছিল আৰু বিজয়ী হৈছিল আৰু পুষ্যমিত্ৰ শৃঙ্গৰ ৰাজভঁৰাল অৱৰোধ কৰিছিল। হাতী গুম্ফা শিলালিপিৰ মতে খাৰভেলই মগধ ৰজা বাহচ্তিমিত্ৰ বা বৃহস্পতি মিত্ৰক যুদ্ধক্ষেত্ৰত পৰাজিত কৰিছিল। বৃহস্পতিমিত্ৰ আৰু পুষ্যমিত্ৰ একেজন লোক বুলি চিনাক্ত হৈছে আৰু সেয়ে জয়ছোৱালে মন্তব্য কৰিছে যে খাৰভেলৰ হাতত পুষ্যমিত্ৰ পৰাজিত হৈছিল।

**অশ্বমেধ যজ্ঞ (Asvamedha Sacrifices) :** গ্ৰীক আৰু যৱণসকলৰ বিৰুদ্ধে বিজয় লাভ কৰি পুষ্যমিত্ৰ শৃঙ্গই দুটা অশ্বমেধ যজ্ঞ সম্পন্ন কৰিছিল আৰু চক্ৰৱৰ্তী বা মহাৰাজধিৰাজ উপাধি ধাৰণ কৰিছিল। পুষ্যমিত্ৰৰ অযোধ্যা শিলালিপিত এই দুটা অশ্বমেধ যজ্ঞৰ তথ্য সন্নিবিষ্ট আছে। কালিদাসৰ মালবিকাগ্নিমিত্ৰক আৰু পতঞ্জলীৰ মহাভাষ্যত অশ্বমেধ যজ্ঞৰ বৰ্ণনা আছে আৰু এই যজ্ঞত পতঞ্জলীয়ে পৌৰহিত্য কৰিছিল। মালবিকাগ্নিমিত্ৰৰ মতে পুষ্যমিত্ৰই তেওঁ ৰাজত্বৰ শেষৰ ফালে এটা অশ্বমেধ যজ্ঞ সম্পাদন কৰিছিল।

**পুষ্যমিত্ৰৰ ধৰ্ম (Religion of Pushyamitra) :** পুষ্যমিত্ৰ এজন

Scanned by CamScanner

গোড়া হিন্দু আছিল আৰু ব্ৰাহ্মণ্যবাদৰ মহান সমৰ্থক আছিল। তেওঁ ব্ৰাহ্মণ্য ধৰ্মৰ উত্থানৰ বাবে ৰাজকীয় পৃষ্ঠপোষকতা আগবঢ়াইছিল। মৌৰ্য্য যুগত মৌৰ্য্য ৰজা আশোকে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি অহিংসা নীতি অৱলম্বন কৰা বাবে হিন্দু ধৰ্ম আৰু ৰাজ্যৰ সামৰিক শক্তি দুৰ্বল হৈ পৰিছিল। সেয়ে তেওঁ দুটা অশ্বমেধ যজ্ঞ সম্পন্ন কৰিছিল আৰু ইয়াৰ দ্বাৰা দুটা উদ্দেশ্য সাধন কৰিছিল। প্ৰথমতে তেওঁ সামৰিক শক্তি বৃদ্ধি আৰু শক্তিশালী কৰিছিল আৰু দ্বিতীয়তে তেওঁ ব্ৰাহ্মণ্য ধৰ্মৰ উত্থান ঘটাইছিল। তেওঁ সংস্কৃত ভাষাৰ প্ৰতি ৰাজকীয় সহায় আগবঢ়াইও ব্ৰাহ্মণ্য ধৰ্মৰ বিকাশত অৰিহণা যোগাইছিল। তেওঁৰ সময়ৰ পৰা সূৰ্য্য আৰু অগ্নি পূজা পুনৰ আৰম্ভ হৈছিল। বৌদ্ধ সাহিত্য দিব্যবদন আৰু তিব্বতীয় বুৰঞ্জীবিদ তাৰানাথৰ সাহিত্যত বৰ্ণনা কৰা মতে ব্ৰাহ্মণ্য ধৰ্মৰ পুনৰ প্ৰবৰ্তনৰ বাবে পুষ্যমিত্ৰই বৌদ্ধধৰ্মীসকলৰ ওপৰত অত্যাচাৰ কৰিছিল। পুষ্যমিত্ৰ শূঙ্গই অসংখ্য বৌদ্ধ মঠ আৰু বৌদ্ধস্তূপ ধ্বংস কৰিছিল আৰু বহুতো বৌদ্ধ সন্ন্যাসীক হত্যা কৰিছিল। দিব্যবদনৰ মতে পুষ্যমিত্ৰই ৰাজাজ্ঞা বলবৎ কৰি ঘোষণা কৰিছিল যে যিজনে তেওঁক এজন শ্ৰমণৰ মূৰ উপহাৰ দিব পাৰে তেওঁকেই ১০০ দিনাৰ পুৰস্কাৰ দিয়া হ'ব। দিব্যবদনৰ মতে অশোকে নিৰ্মাণ কৰা ৮৪,০০০ স্তূপ পুষ্যমিত্ৰই ধ্বংস কৰিছিল।

আনহাতে পুষ্যমিত্ৰ শূঙ্গ ধৰ্মীয় সহিষ্ণুশীল বুলি বহুতো উদাহৰণ আছে। আনকি দিব্যবদনতো উল্লেখ কৰা হৈছে যে তেওঁ বৌদ্ধ ধৰ্মীলোকক মন্ত্ৰী পদত নিয়োগ কৰিছিল। মালবিকাগ্নিমিত্ৰমৰ মতে পুষ্যমিত্ৰৰ পুত্ৰ অগ্নিমিত্ৰই এজনী বৌদ্ধ ধৰ্মী নাৰী ভাগৱতী কৌশিকীক তেওঁৰ ৰাজসভাত নিয়োগ কৰিছিল। তাৰোপৰি শূঙ্গ ৰাজত্বকালতে বাৰহুত, বোধগয়া আৰু সাঁচীৰ স্তূপবোৰ পুনৰ নিৰ্মাণ কৰিছিল। ড° এইচ ৰায়চৌধুৰীয়ে বৌদ্ধধৰ্মীসকলৰ বিৰুদ্ধে অত্যাচাৰ নীতি গ্ৰহণ কৰাটো মানি লোৱা নাছিল। তেওঁ মতপোষণ কৰিছে যে শূঙ্গৰ ৰাজত্বকালতে নিৰ্মাণ কৰা বাৰহুত স্তূপত বৌদ্ধ সন্ন্যাসীসকলে বাস কৰিছিল। আনকি পুষ্যমিত্ৰৰ উত্তৰাধিকাৰীসকলেও ধৰ্মীয় সহিষ্ণুশীল নীতি গ্ৰহণ কৰিছিল। ড° ৰামশঙ্কৰ ত্ৰিপাঠীৰ মতে পুষ্যমিত্ৰ নিঃসন্দেহে এজন উগ্ৰ ব্ৰাহ্মণ ধৰ্মৰ সমৰ্থক কিন্তু শবঙ্গৰ আধিপত্যৰ সময়তে বাৰহুতৰ বৌদ্ধ স্তূপ আৰু ইয়াৰ ৰেলিং নিৰ্মাণ কৰা হৈছিল। আনহাতে ই, বি, হেভেলৰ মন্তব্য অতি গুৰুত্বপূৰ্ণ যে শূঙ্গসকলৰ বিৰুদ্ধে বৌদ্ধ মঠবোৰ ৰাজনৈতিক ষড়যন্ত্ৰৰ কেন্দ্ৰস্থল আছিল। সেয়ে পুষ্যমিত্ৰ শূঙ্গই ৰাজ্য আৰু ব্ৰাহ্মণ্য ধৰ্ম ৰক্ষাৰ বাবে সেই মঠবোৰহে ধ্বংস কৰিছিল। বহুতো স্তূপ আৰু শিলালিপিয়ে স্পষ্ট নীতি গ্ৰহণ কৰা নাছিল।



**পুষ্যমিত্ৰ শূঙ্গৰ উত্তৰাধিকাৰীসকল (Successors of Pushyamitra Sunga) :** পুষ্যমিত্ৰই ৩৬ বছৰ কাল ৰাজত্ব কৰি ১৮৪ খৃঃপূঃত মৃত্যুমুখত পাৰিছিল। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ অগ্নিমিত্ৰ ৰজা হৈছিল। তেওঁ ৮ বছৰ ৰাজত্ব কৰিছিল। অগ্নিমিত্ৰৰ উত্তৰাধিকাৰী আছিল সুজ্যেষ্ঠা (Sujyesthta) আৰু তেওঁ ৭ বছৰ ৰাজত্ব কৰিছিল। তেওঁৰ উত্তৰাধিকাৰী আছিল বসুমিত্ৰ আৰু বসুমিত্ৰই গ্ৰীকসকলক পৰাজয় কৰিছিল। তেওঁ যৱণসকলক পৰাজয় কৰি অশ্বমেধ যজ্ঞৰ ঘোঁৰা মুকলি কৰিছিল। বাণৰ বিৱৰণীমতে বসুমিত্ৰ নৃত্য আৰু সংগীতৰ প্ৰতি বৰ অনুৰাগী আছিল। এটা নাটকীয় অনুষ্ঠান উপভোগ কৰি থকা সময়তে মিত্ৰদেৱে তেওঁক বধ কৰিছিল। তেৱেঁই আছিল পৰৱৰ্তীকালত শূঙ্গ সকলক অপসাৰণ কৰা কান্ব পৰিয়ালৰ বংশধৰ। তেওঁৰ ৰাজত্বকালৰ পৰাই শূঙ্গ বংশৰ পতনৰ আৰম্ভণি হৈছিল। তেওঁৰ দুৰ্বল অৱস্থাৰ সুযোগ লৈ বহুতো গভৰ্ণৰ বা শূঙ্গ বংশৰ সদস্যই স্বাধীনতা ঘোষণা কৰিছিল আৰু পঞ্চাল, কৌশম্বী আৰু মথুৰা তিনিখন ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। তেওঁলোকে শূঙ্গ কেন্দ্ৰীয় চৰকাৰৰ কৰ্তৃত্ব স্বীকাৰ কৰিবলৈ অস্বীকাৰ কৰাই নাছিল, তেওঁলোকে নিজৰ নামত মোহৰ মৰাইছিল। বসুমিত্ৰৰ উত্তৰাধিকাৰীসকল আছিল অন্ধ্ৰক, পুলিন্দক, ঘোষ, বজ্ৰমিত্ৰ, ভাগ আৰু দেৱভূতি। কিছুমান পণ্ডিতৰ মতে এইসকল ৰজা শূঙ্গ বংশৰ নাছিল।

Scanned by CamScanner

তেওঁলোকৰ মতে বসুমিত্ৰৰ পিছত বজ্ৰমিত্ৰ ৰজা হৈ নবছৰ ৰাজত্ব কৰিছিল। তেওঁৰ পিছতে দেৱভূতিয়ে ৩২বছৰ কাল ৰাজত্ব কৰিছিল। দেৱভূতি আছিল সৰ্বশেষ শৃঙ্গ ৰজা। দেৱভূতি এজন বিলাসিতা প্ৰিয় আৰু অকৰ্মণ্য ৰজা আছিল আৰু তেওঁ প্ৰজাৰ মাজত অপ্ৰিয় হৈ পৰিছিল। এনে অৱস্থাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছিল দেৱভূতিৰ মন্ত্ৰী বসুদেৱে আৰু ৰজাৰ মহিলা সহায়কাৰী এজনীৰ জীয়েকৰ জৰিয়তে ৰাণীৰ ছদ্মবেশেৰে ৰজাক হত্যা কৰিছিল আৰু শৃঙ্গ ৰাজ্যৰ ক্ষমতা হস্তগত কৰিছিল। তেৱেঁই ৭২ খৃঃত কান্বৱংশৰ ভেটি স্থাপন কৰিছিল। কান্ব ৰাজ বংশই ১১২ বছৰ ৰাজত্ব কৰিছিল।

**শৃঙ্গ ৰাজত্বকালৰ গুৰুত্ব (Importance of the Sunga Period)** : শৃঙ্গসকলৰ ৰাজত্বকাল ভাৰতৰ ইতিহাসত সাধাৰণভাৱে গুৰুত্বপূৰ্ণ হ'লেও মধ্য এচিয়াৰ বাবে বিশেষভাৱে গুৰুত্বপূৰ্ণ আছিল। শৃঙ্গ ৰজাসকলে সফলতাৰে বিদেশীৰ পৰা ৰাজ্যখন ৰক্ষা কৰিছিল আৰু মগধ সাম্ৰাজ্যক পুনৰ ভাঙোনৰ পৰা উদ্ধাৰ কৰি ৰাজনৈতিক একতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল। শৃঙ্গ ৰাজত্বকাল ৰাজনৈতিক, সাংস্কৃতিক আৰু শিল্পকলাৰ দিশৰ পৰা বৰ গুৰুত্বপূৰ্ণ। শৃঙ্গ ৰাজত্বকালতে অপৈণত হৈ থকা সাংস্কৃতিক দিশটো গুপ্ত যুগত সম্পূৰ্ণ বিকশিত হৈ উঠিছিল।

শৃঙ্গ ৰাজত্বকালতে ব্ৰাহ্মণ্যবাদৰ পুনৰ উত্থান হৈছিল আৰু ইয়াৰ লগতে সংস্কৃত সাহিত্য আৰু সংস্কৃত ভাষাৰো উন্নতি হৈছিল। পুষ্যমিত্ৰ শৃঙ্গই সম্পন্ন কৰা অশ্বমেধ যজ্ঞই ব্ৰাহ্মণ্য ধৰ্মৰ উত্থান আৰম্ভ কৰিছিল আৰু পাঁচ শতিকা পিছত গুপ্তযুগৰ সময়ত ই সম্পূৰ্ণৰূপে বিকাশ লাভ কৰিছিল। পুষ্যমিত্ৰ শৃঙ্গ ব্ৰাহ্মণ্য ধৰ্মৰ গোড়া সমৰ্থক আছিল। মানুহৰ ধৰ্মৰ প্ৰতি থকা বিশ্বাস পৰিৱৰ্তন হৈছিল। মানুহে ৰণ দেৱতা কাৰ্তিকৰ পূজা আৰম্ভ কৰিছিল। মনু স্মৃতিত ব্ৰাহ্মণ্য ধৰ্মৰ আদৰ্শ সন্নিৱিষ্ট কৰা হৈছিল। ৰজাৰ ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰা ব্ৰাহ্মণ ধৰ্মৰ আদৰ্শই প্ৰজাক প্ৰভাৱান্বিত কৰিছিল। সাংস্কৃতিক দিশত গুপ্ত যুগৰ সোণালী যুগৰ ভেটি শৃঙ্গ ৰাজত্বকালতে আৰম্ভ হৈছিল।



আনহাতে ব্ৰাহ্মণ ধৰ্মৰ পুনৰ উত্থানৰ ফলতে ৰাজ্যত দেশপ্ৰেমৰ ধাৰণাৰ বিকাশ হৈছিল আৰু ইয়াৰ ফলতে বিদেশী আক্ৰমণ সফলভাৱে ৰোধ কৰিব পাৰিছিল। শৃঙ্গ যুগতে বৰ্ণাশ্ৰম ধৰ্ম পুনৰ প্ৰবৰ্তন হৈছিল। হিন্দুৰ আচৰণবিধি নিৰ্দিষ্ট কৰি লিখা সংহিতা গুৰুত্বপূৰ্ণ অৱদান। বেশনগৰৰ গৰুড় স্তম্ভ লিপিৰপৰা জনা যায় যে গ্ৰীক ৰজাৰ দূত এজনেও ভাগৱত ধৰ্ম গ্ৰহণ কৰিছিল। একেদৰে বহুতো বিদেশীয়ে হিন্দু ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল। শৃঙ্গ ৰজাসকল হিন্দু ধৰ্মী হলেও আন ধৰ্মৰ প্ৰতিও সহিষ্ণুশীল আছিল।

ব্ৰাহ্মণ ধৰ্মৰ উত্থানৰ লগে লগে ব্ৰাহ্মণ সাহিত্যৰ উন্নতি হৈছিল। সংস্কৃত ভাষা শিক্ষিত সমাজৰ সাহিত্যৰ প্ৰধান বাহক হৈ পৰিছিল। শৃঙ্গ ৰাজত্বকালতে বহুতো হিন্দু গ্ৰন্থ ৰচনা কৰা হৈছিল।

শৃঙ্গ ৰজাসকলৰ ৰাজকীয় পৃষ্ঠপোষকতাতে সংস্কৃত পণ্ডিত পতঞ্জলীয়ে বিখ্যাত সাহিত্য 'মহাভাষ্য' ৰচনা কৰিছিল। সেই সময়তে মনু স্মৃতি, বিষ্ণু স্মৃতি আদি বিখ্যাত হিন্দু সাহিত্যৰ সৃষ্টি হৈছিল। সেই যুগৰ এখন গুৰুত্বপূৰ্ণ সাহিত্য আছিল বাৎসায়নৰ কামসূত্ৰ।

শৃঙ্গ ৰাজত্বকালতে শিল্পকলা আৰু স্থাপত্যৰ উন্নতি হৈছিল। শৃঙ্গ ৰজাসকলে বহুতো ধুনীয়া আৰু প্ৰকাণ্ড ৰাজপ্ৰসাদ পাটলিপুত্ৰ, বৈশালী, মথুৰা, কৌষম্বী, হস্তিনাপুৰ আৰু তক্ষশীলাত নিৰ্মাণ কৰিছিল। তাৰোপৰি অশোকে নিৰ্মাণ কৰা বাৰহুত স্তূপৰো পৰিৱৰ্তন আৰু উন্নতি সাধন কৰা হৈছিল। বৌদ্ধ স্তূপবোৰৰত কাঠৰ ৰেলিঙৰ পৰিৱৰ্তে শিলৰ ৰেলিঙ দিয়া হৈছিল আৰু বিখ্যাত শিলৰ দ্বাৰ নিৰ্মাণ কৰা হৈছিল। প্ৰৱেশদ্বাৰত উৎকৃষ্ট সৌন্দৰ্য্যৰ প্ৰকৃতিৰ আৰু জাতকৰ কাহিনীৰ সজীৱ চিত্ৰ অংকন কৰা হৈছে। সেই যুগৰ কিছুমান বিখ্যাত কীৰ্তিচিহ্ন আছিল ভাজৰ বিহাৰ, বেশনগৰৰ গৰুড় স্তম্ভ, নাচিকৰ চৈত্য হ'ল, বিদিশাৰ গৰুড়ধ্বজৰ মূৰ্তি, অমৰাৱতী স্তূপ, অজন্তাৰ নটা চৈত্য মঠ, মথুৰাৰ যক্ষ আৰু যক্ষিনীৰ মূৰ্তি। বাৰহুত বোধ গয়া স্তূপৰ চাৰিওপিনে বেৰ নিৰ্মাণ কৰি তাত চাৰিওদিশত চাৰিখন প্ৰৱেশদ্বাৰ

Scanned by CamScanner

নির্মাণ কৰা হৈছিল। সাঁচী স্তূপৰ উচ্চতা ৫৪ ফুট আৰু ব্যাসাৰ্দ্ধ ১২০ ফুটলৈ বৃদ্ধি কৰা হৈছিল। স্তূপৰ দুৱাৰখন চিত্ৰকলাৰে সজ্জিত কৰা হৈছিল। শুঙ্গ শিল্পকলাৰ বিশেষত্ববোৰ আছিল— অট্টালিকা আৰু স্তূপ নিৰ্মাণত কাঠ আৰু ইটাৰ পৰিৱৰ্তে শিলৰ ব্যৱহাৰ। শুঙ্গ শিল্পকলা সাম্প্ৰদায়িকতাৰ পৰা মুক্ত আছিল ইয়াত বিশেষ ধৰ্মই প্ৰাধান্য লাভ কৰা নাছিল আৰু শুঙ্গ শিল্পকলাই সমাজ আৰু মানৱ জীৱনৰ প্ৰতিটো দিশৰ ছবিপ্ৰতিফলিত কৰিছিল।

## সাতবাহনসকল
## (The Satavahanas)

সাতবাহন ৰাজ্যৰ বা অন্ধ্ৰ ৰাজ্যৰ মৌৰ্য্য সাম্ৰাজ্য পতনৰ পিছত উত্থান হৈছিল। ই গোদাৱৰী আৰু কৃষ্ণাৰ মাজৰ অঞ্চল আৱৰি লৈছিল। সাতবাহনৰ ইতিহাস জনাৰ বাবে অতি কম সংখ্যক নিৰ্ভৰযোগ্য তথ্য পোৱা যায়। সাতবাহনসকলৰ ইতিহাস জনাৰ নিৰ্ভৰযোগ্য উৎস তিনিটা আছিল— শিলালিপি, মুদ্ৰা আৰু পুৰাণ। গৌতমী বালাছিৰিৰ নাচিক শিলালিপি আৰু নানাঘাট শিলালিপি দুখনে আমাক সাতবাহনৰ গুৰুত্বপূৰ্ণ তথ্যৰ যোগান ধৰে। প্ৰথমখন শিলালিপিয়ে সাতবাহন ৰজা গৌতমী পুত্ৰ শতকৰ্ণীৰ বিজয় আৰু ধৰ্মীয় উদাৰতা আৰু দ্বিতীয়খনে ৰজা সিমুক, কৃষ্ণা আৰু শতকৰ্ণীৰ ৰাজত্বকালৰ ইতিহাস যোগান ধৰে। মুদ্ৰাৰ পৰাও সাতবাহন ইতিহাসৰ তথ্য পোৱা যায়। প্ৰায় তিনি শতিকা ধৰি সাতবাহনসকলে এই অঞ্চলৰ ওপৰত আধিপাত্য বিস্তাৰ কৰিছিল। সাতবাহনসকলে বহুতো ক্ষেত্ৰতে মৌৰ্য্য ৰাজনৈতিক প্ৰথা অব্যাহত ৰাখিছিল।

**সাতবাহনসকলৰ উৎপত্তি আৰু আদি বাসস্থান (Origin and original home of the Satavahanas) :** সাতবাহনসকলৰ উৎপত্তি আৰু আদি বাসস্থান সম্পৰ্কে পণ্ডিতসকলৰ মাজত আৰু সাহিত্যবোৰত ভিন্ন বৰ্ণনা



বা মত পোৱা যায়। শিলালিপি আৰু মুদ্ৰাত সাতবাহন আৰু শতকৰ্ণী বুলি কোৱা ৰজাসকলক পুৰাণত অন্ধ্ৰ, অন্ধ্ৰভৃত্য আৰু অন্ধ্ৰ জাতীয় বুলি কোৱা হৈছে। শিলালিপিত তেওঁলোকক সাতবাহন বুলি বৰ্ণনা কৰা হৈছে। ইয়াৰ পৰা পণ্ডিতসকলে সিদ্ধান্তলৈ আহিছিল যে সাতবাহন বা শতকৰ্ণীসকল অন্ধ্ৰসকলৰ সৈতে একে জাতীয় বুলি চিনাক্ত কৰা হৈছে। সেয়ে ৰেপচন, স্মিথ আৰু ভন্দৰকাৰ আদিয়ে মতপোষণ কৰিছে যে সাতবাহনসকল আদিতে অন্ধ্ৰদেশৰ বাসিন্দা আছিল। আদিতে তেওঁলোকে কৃষ্ণা-গোদাৱৰীৰ মাজৰ অঞ্চলত বাস কৰিছিল আৰু ক্ৰমশঃ তেওঁলোকে নিজকে অন্ধ্ৰ বুলি পৰিচয় দিছিল। তেওঁলোকৰ ৰাজধানী আছিল শ্ৰীককুলাম (Sri Kakulam)। এন, কে, শাস্ত্ৰীৰ মতে অন্ধ্ৰসকল আদিতে মৌৰ্য্য বা শুঙ্গসকলৰ দাস আছিল। সেয়ে তেওঁলোকক অন্ধ্ৰভৃত্য বুলি কোৱা হৈছিল। মৌৰ্য্য সাম্ৰাজ্যৰ পতনৰ সুযোগ লৈ তেওঁলোকে শক্তিশালী সামৰিক শক্তিৰূপে নিজকে গঢ়ি তুলিছিল। ভি, এ, স্মিথৰ মতে অন্ধ্ৰসকল অশোকৰ কৰতলীয়া আছিল আৰু তেওঁৰ মৃত্যুৰ পিছত সিমুকৰ নেতৃত্বত তেওঁলোক স্বাধীন হৈছিল।

সাহিত্য, শিলালিপি আৰু মুদ্ৰাত ইয়াৰ কোনো সত্যতা পোৱা নাযায়। এইচ, চি, ৰায়চৌধুৰী আৰু ড° গোপালচাৰী আদি পণ্ডিতৰমতে সাতবাহনসকল আদিতে অন্ধ্ৰদেশত বাস কৰা নাছিল আৰু তেওঁলোকৰ অন্ধ্ৰত উৎপত্তি হোৱা নাছিল। তেওঁলোকৰ আদি বাসস্থান আছিল প্ৰতিষ্ঠান। তেওঁলোকে পিছত পূব-দাক্ষিণাত্য বা অন্ধ্ৰদেশলৈ সাম্ৰাজ্য বিস্তাৰ কৰিছিল। যেতিয়া শকসকলে তেওঁলোকক পশ্চিম দাক্ষিণাত্যৰ পৰা (আদিম বাসস্থান) খেদি পঠাইছিল সাতবাহনসকল পূব-দাক্ষিণাত্য বা অন্ধ্ৰদেশলৈ আহিবলৈ বাধ্য কৰোৱা হৈছিল। তেতিয়াৰ পৰা তেওঁলোকে অন্ধ্ৰ নামে জনাজাত হৈ পৰিছিল।

সাতবাহন বংশৰ প্ৰতিষ্ঠাতা আছিল সিমুক। পুৰাণৰ তথ্যমতে অন্ধ্ৰজাতিৰ সিমুকে কান্ব ৰজা শুচৰমনক (Susarman) অপসাৰণ আৰু শুঙ্গৰ অৱশিষ্ট

Scanned by CamScanner

ক্ষমতা ধ্বংস কৰিছিল। ড° গোপালাচাৰীৰ মতে সিমুক মৌৰ্য্যসকলৰ সমসাময়িক আৰু সম্ভৱত পশ্চিম দাক্ষিণাত্যত এজন মৌৰ্য্য বিষয়াৰূপে নিয়োজিত আছিল। তেওঁ স্থানীয় ভোজসকলৰ সৈতে আৰু ৰথিকসকলৰ সৈতে এটা মিত্ৰ শক্তি গঠন কৰিছিল। তেওঁ সেই অঞ্চলত থকা মৌৰ্য্য কৰ্তৃত্বক অপসাৰণ কৰি ৰাজকীয় উপাধি গ্ৰহণ কৰিছিল। তেওঁ বৌদ্ধ ধৰ্মী আছিল। জৈন তথ্যমতে সিমুকে জৈন আৰু বৌদ্ধ মন্দিৰ নিৰ্মাণ কৰিছিল। সিমুকৰ মৃত্যুৰ পিছত তেওঁৰ ভাতৃ কৃষ্ণ ৰজা হৈছিল আৰু তেওঁ সিমুকৰ বিজয় নীতিকে অব্যাহত ৰাখিছিল। তেওঁ সাম্ৰাজ্য সীমা পশ্চিমে নাচিকলৈ বৃদ্ধি কৰিছিল।

কৃষ্ণ বা কাহ্নৰ উত্তৰাধিকাৰী আছিল প্ৰথম শতকৰ্ণি আৰু তেওঁ ১৯৪-১৮৪ খৃঃ লৈ শাসন কৰিছিল। হাতী গুম্ফা শিলালিপি, সাঁচী আৰু নানাঘাট শিলালিপিৰ পৰা শতকৰ্ণিৰ ৰাজত্বকালৰ ইতিহাস পোৱা যায়। তেওঁৰ ৰাজত্বকালতে সাতবাহনসকল গৌৰৱৰ উচ্চ শিখৰত উপনীত হৈছিল। প্ৰথম শতকৰ্ণি এজন শক্তিশালী ৰজা আছিল আৰু তেওঁৰ ৰাজ্যৰ সীমা চাৰিওফালে বিস্তৃত কৰিছিল। তেওঁ পশ্চিম মালৱ আৰু ইয়াৰ পশ্চিম অঞ্চল বিজয় কৰিছিল। তেওঁ বিদৰ্ভও বিজয় কৰিছিল। কলিঙ্গৰ ৰজা খাৰভেলই শতকৰ্ণিৰ ৰাজ্য আক্ৰমণ কৰি পৰাজিত হৈছিল। এনেদৰে প্ৰথম শতকৰ্ণিৰ নেতৃত্বত গোদাৱৰী উপত্যকাত প্ৰথমখন শক্তিশালী ৰাজ্যৰ উত্থান হৈছিল। প্ৰথম শতকৰ্ণিয়ে অম্তিয় পৰিয়ালৰ শক্তিশালী মহাৰথী (ডা-ডাঙৰীয়া আৰু বিষয়া) সকলৰ সৈতে বৈবাহিক মিত্ৰতা নীতিত আৱদ্ধ হৈছিল। প্ৰথম শতকৰ্ণিৰ ৰাণী নয়নিকা এই পৰিয়ালৰে সদস্যা আছিল। প্ৰথম শতকৰ্ণিয়ে উচ্চ দাক্ষিণাত্য আৰু মধ্য আৰু পশ্চিম ভাৰতৰ এটা অংশৰ ওপৰত আধিপত্য বিস্তাৰ কৰিছিল। উত্তৰ কঙ্কন আৰু কাথিৱাৰো তেওঁৰ প্ৰভাৱাধীন আছিল। ড° এইচ চি ৰায়চৌধুৰীৰ মতে প্ৰথম শতকৰ্ণি ভূপাল আৰু সাঁচীৰ ওপৰতো প্ৰভুত্ব বিস্তাৰ কৰিছিল। মুঠতে প্ৰথম শতকৰ্ণি দক্ষিণ ভাৰতৰ অধিপতি বা দক্ষিণ



পথপতি আৰু অপ্ৰতিহত চক্ৰ হৈ পৰিছিল। শতকৰ্ণিয়ে বিজয় উৎসৱ পালন কৰিবলৈ দুটা অশ্বমেধ যজ্ঞ আৰু এটা ৰাজসূয় যজ্ঞ সম্পন্ন কৰিছিল।

প্ৰথম শতকৰ্ণিৰ পৰৱৰ্তী সাতবাহন বংশৰ গুৰুত্বপূৰ্ণ ৰজাজন আছিল হাল (Hala)। দক্ষিণ ভাৰতৰ সাংস্কৃতিৰ ইতিহাসত তেওঁ গুৰুত্বপূৰ্ণ স্থান দখল কৰিছিল। মুদ্ৰা বা শিলালিপিৰ পৰা তেওঁৰ ৰাজত্বকালৰ কোনো তথ্য পোৱা নাযায়। যিয়ে নহওক, তেওঁ এজন জ্ঞানী আৰু সাহিত্য প্ৰিয় লোক আছিল। তেওঁ নিজে সুন্দৰ কবিতা ৰচনা কৰিছিল। মহাৰাষ্ট্ৰৰ পুৰণি ভাষাত প্ৰেমাসক্ত বিখ্যাত সপ্ত শতক (৭০০ শ্লোক) ৰচনা কৰাৰ গৌৰৱ অৰ্জন কৰিছিল। তেওঁ পৈচ্লি ভাষাত (Paischli dialect) এখন উৎকৃষ্ট সাহিত্য বৃহৎ কথা (Brihat Katha) ৰচনা কৰিছিল। তেওঁৰ ৰাজত্বকালতে বিখ্যাত সংস্কৃতি ব্যাকৰণ 'কতন্ত্ৰ' (Katantra) ৰচনা কৰা হৈছিল। সাতবাহন ৰাজসভাত দুৰ দিগন্তৰ পণ্ডিত আৰু কবিসকলে স্থান লাভ কৰিছিল।

সাতবাহন বংশৰ পৰৱৰ্তী শক্তিশালী আৰু গুৰুত্বপূৰ্ণ ৰজা আছিল গৌতমীপুত্ৰ শতকৰ্ণি। তেওঁ ধ্বংসমুখী সাতবাহন ৰাজ্যক ৰক্ষা কৰিছিল আৰু বিশাল সাম্ৰাজ্যখনৰ নিয়ন্ত্ৰণ নিজৰ অধীনলৈ আনিছিল। তেওঁ শক আৰু যৱণসকলক পৰাজয় কৰিছিল আৰু তেওঁলোকৰ পৰা হেৰোৱা অঞ্চল দখল কৰিছিল। তেওঁ কাথিৱাৰ, মহাৰাষ্ট্ৰ, বেৰাৰ, মেৱাৰ, ৰাজস্থান আৰু গুজৰাট তেওঁৰ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিছিল।

নাচিক প্ৰশস্তিত গৌতমীপুত্ৰ শতকৰ্ণিক শক, পহ্লৱ আৰু যৱণ বিনাশকাৰী হিচাবে বৰ্ণনা কৰা হৈছে। তেওঁ ৰাজত্বৰ প্ৰথম ১৬ বছৰ নাহাপনাৰ নেতৃত্বাধীন শকসকলৰ বিৰুদ্ধে চূড়ান্ত যুদ্ধ কৰিবলৈ বিশাল প্ৰস্তুতি চলাইছিল। নাহাপনাই সাতবাহনসকলৰ পৰা পশ্চিম দাক্ষিণাত্য কাঢ়ি নিছিল। শতকৰ্ণিয়ে তেওঁৰ ৰাজত্বৰ ১৬ বছৰৰ পৰা ১৮ বছৰলৈ শক ৰাজ্যৰ কেন্দ্ৰত যুদ্ধ চলাইছিল আৰু ক্ষত্ৰপ নাহাপনা আৰু তেওঁৰ গভৰ্ণৰ বিষভাদত্তক বধ কৰিছিল। তেওঁ পশ্চিম দাক্ষিণাত্যৰ শক, যৱণ, পহ্লৱ শক্তিক সম্পূৰ্ণৰূপে উচ্ছেদ কৰিছিল।

Scanned by CamScanner

এনেদৰে গৌতমীপুত্ৰ শতকৰ্ণিয়ে মহাৰাষ্ট্ৰত থকা তেওঁৰ পৈতৃক ৰাজ্য উদ্ধাৰ কৰাৰ উপৰিও গুজৰাটৰ শক ৰাজ্য, সৌৰাষ্ট্ৰ, মালৱ আদি অন্তৰ্ভুক্ত কৰিছিল। শক ক্ষত্ৰপসকলক পৰাজয় কৰাৰ পিছত দক্ষিণ ভাৰতত সাতবাহনসকল অপ্ৰতিৰোধ্য হৈ পৰিছিল। গৌতমীপুত্ৰই ৰিষিক আৰু গোদাবৰী নৈয়ে প্লাৱিত কৰা জিলাবোৰ আৰু হায়দৰাবাদ আৰু বেৰাৰ অঞ্চললৈ আধিপত্য বিস্তাৰ কৰিছিল। নাচিক প্ৰশস্তিত তেওঁ বিজয় কৰা আৰু সাম্ৰাজ্যত অন্তৰ্ভুক্ত কৰা ৰাজ্যসমূহৰ এখন দীঘলীয়া তালিকা প্ৰকাশ কৰিছিল। এইবোৰ ৰাজ্য আছিল মহাৰাষ্ট্ৰ, মূলক, কাথিৱাৰ, কুকুৰা অনুপ, বিদৰ্ভ, বেৰাৰ, পুব-মালৱ, অৱন্তি, অপৰান্ত আদি।

গৌতমীপুত্ৰ শতকৰ্ণি এখন বিশাল সাম্ৰাজ্যৰ অধীশ্বৰ আছিল। তেওঁৰ প্ৰত্যক্ষ শাসন কিষ্টনা (Kistna) ৰ পৰা কাথিৱাৰ আৰু বেৰাৰ পৰা কঙ্কনলৈ বিস্তৃত আছিল। কিন্তু ইয়াৰ বাহিৰতো এটা বিশাল অঞ্চলৰ ওপৰত তেওঁৰ কৰ্তৃত্ব স্থাপিত হৈছিল। তেওঁ উচ্চ ক্ষমতা সম্পন্ন উপাধি ৰাজাৰাজ আৰু পূৰ্বঘাট, পশ্চিমঘাট আৰু বিন্ধ্যৰ অধীশ্বৰ উপাধি ধাৰণ কৰিছিল। গৌতমীপুত্ৰই মহাৰাষ্ট্ৰৰ গোবৰ্দ্ধন জিলাত বেণুকটক নামৰ এখন নগৰ নিৰ্মাণ কৰিছিল। তেওঁৰ শাসন ব্যৱস্থা শাস্ত্ৰীয় আইন আৰু মানৱতাবাদৰ ওপৰত প্ৰতিষ্ঠিত আছিল। তেওঁ ন্যায়সঙ্গতভাৱে কৰ আৰোপ কৰিছিল। দুখীয়া আৰু দুৰ্বলসকলে তেওঁৰ পৰা বিশেষ সহাৰি লাভ কৰিছিল। তেওঁ বৰ্ণাশ্ৰম ধৰ্মৰ মহান পৃষ্ঠপোষক আছিল। তেওঁ শাস্ত্ৰত পাৰ্গত আছিল। তেওঁ নাচিকৰ সন্ন্যাসীসকললৈ ভূমি, গাঁও আৰু গুহা দান কৰিছিল। **কিছুমান পণ্ডিতে গৌতমীপুত্ৰক বিক্ৰমাদিত্য আৰু ভাৰতীয় প্ৰবাদৰ শালিবাহন আখ্যা দিছিল।**

ৰাজত্বৰ শেষৰফালে গৌতমীপুত্ৰই কৰ্দমাক শকসকলৰ হাতত পৰাজয় স্বীকাৰ কৰিবলগীয়া হৈছিল। তেওঁ ক্ষহৰত শকসকলৰ ৰজা নাহাপনাৰ পৰা লাভ কৰা বেছিসংখ্যক জিলা কৰ্দমাক শকসকলে কাঢ়ি নিছিল। এনে সংকটৰ



পৰা মুক্তি পোৱাৰ বাবে গৌতমীপুত্ৰই কৰ্দমাক শকৰ সৈতে বৈবাহিক মিত্ৰতা সম্পন্ন কৰিছিল।

গৌতমীপুত্ৰ শতকৰ্ণিৰ উত্তৰাধিকাৰী আছিল বশিষ্টপুত্ৰ শ্ৰীপুলমেয়ী বা পুলমেয়ী। তেওঁ পিতৃৰ ৰাজ্যখন অক্ষত কৰি ৰখাৰ উপৰিও ৰাজ্যখনত নতুন অঞ্চল যোগ কৰিছিল। তেওঁৰ মুদ্ৰাৰ পৰা স্পষ্ট হয় যে তেওঁৰ সাম্ৰাজ্য দক্ষিণলৈ সম্প্ৰসাৰিত হৈছিল। তেওঁ নৱনগৰ নামৰ এখন নতুন নগৰ নিৰ্মাণ কৰিছিল আৰু নৱনগৰস্বামী উপাধি ধাৰণ কৰিছিল। তেওঁৰ সময়তে সাতবাহন ৰাজ্য অৰ্থনৈতিক ভাৱে সমৃদ্ধিশালী হৈছিল আৰু বহুতো প্ৰকাৰৰ মুদ্ৰা প্ৰস্তুত কৰিছিল। তেওঁৰ ৰাজত্বকালৰ গুৰুত্বপূৰ্ণ ঘটনাটো আছিল শকবোৰৰ সৈতে দীঘলীয়া যুদ্ধ। পুলমেয়ীয়ে শক নেতা ৰুদ্ৰদমনৰ সৈতে বৈবাহিক মিত্ৰতা স্থাপন কৰি নিজৰ ৰাজ্য ৰক্ষা কৰিছিল। তেওঁ শক নেতাৰ কন্যাক বিবাহ কৰাইছিল। গাৰ্ণাৰ শিলালিপি মতে ৰুদ্ৰদমনে পুলমেয়ীক দুবাৰ পৰাজয় কৰিছিল। কিন্তু পুলমেয়ীৰ সৈতে ওচৰ সম্পৰ্ক থকা বাবে ৰুদ্ৰদমনে তেওঁক সম্পূৰ্ণৰূপে ধ্বংস কৰা নাছিল।

পুলমেয়ীৰ পিছত বহুকেইজন গুৰুত্বহীন ৰজাই শাসন কৰিছিল আৰু তাৰ পিছত শ্ৰীযজ্ঞশ্ৰী শতকৰ্ণিয়ে সিংহাসনত বহিছিল। তেওঁ শেষৰ ৰজাসকলৰ ভিতৰত অতি শক্তিশালী গুৰুত্বপূৰ্ণ ৰজা আছিল। তেওঁৰ ৩০ বছৰীয়া শাসনকালত তেওঁ শকসকলৰ পৰা পূৰ্বে হেৰোৱা বহুতো ৰাজ্য উদ্ধাৰ কৰিছিল।

**সাতবাহনসকলৰ পতন (Decline of the Satavahanas) :** যজ্ঞশ্ৰী শতকৰ্ণিৰ মৃত্যুৰ পিছত সাতবাহন সাম্ৰাজ্যৰ পতন আৰম্ভ হৈছিল। তেওঁৰ উত্তৰাধিকাৰী বিজয়, চন্দ্ৰশ্ৰী আৰু তৃতীয় পুলমেয়ী বৰ দুৰ্বল আৰু অনাচাৰী ৰজা আছিল আৰু সামৰিক শক্তিক ঐক্যবদ্ধ কৰি ৰাখিব পৰা নাছিল। অৱশেষত প্ৰায় ২০৫ খৃঃত সাতবাহন ৰাজ্যৰ পতন নিশ্চিত হৈছিল আৰু ইয়াৰ ভেটিত বহুতো সৰু সৰু ৰাজ্যৰ জন্ম হৈছিল। এনেদৰে অভিৰসকলে

Scanned by CamScanner

মহাৰাষ্ট্ৰত এখন স্বাধীন ৰাজ্য প্ৰতিষ্ঠা কৰিছিল, কদম্বসকলে মহীশূৰ দখল কৰিছিল, কৃষ্ণা নৈৰ চাৰিও দিশৰ অঞ্চলবোৰ পল্লৱসকলে দখল কৰিছিল, সাতবাহনৰ সামন্ত নেতা চুটু আৰু নাগসকলে স্বাধীন ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

সাতবাহন ৰাজ্যৰ পতনত বহুতো উপাদানে অৰিহণা যোগাইছিল। প্ৰথমতে শকসকলৰ সৈতে হোৱা অবিৰাম যুদ্ধই ৰাজ্যৰ অৰ্থ সম্পদ ধ্বংস কৰিছিল আৰু ৰাজ্যখন বৰ দুৰ্বল হৈ পৰিছিল। দ্বিতীয়তে, যজ্ঞশ্ৰী শতকৰ্ণিৰ দুৰ্বল উত্তৰাধিকাৰীসকলে সাম্ৰাজ্যৰ ভিতৰত গঢ় লৈ উঠা বিদ্ৰোহ দমন কৰাত বিফল হৈছিল আৰু তেওঁলোকৰ কোনো এজনে সাম্ৰাজ্যখন অক্ষত কৰি ৰাখিবলৈ সমৰ্থ হোৱা নাছিল। তৃতীয়তে, সামন্ত নেতাসকলে কৰা বিদ্ৰোহে সাতবাহন সাম্ৰাজ্যখনক প্ৰচণ্ড আঘাত কৰিছিল। এনেদৰে সাতবাহন সাম্ৰাজ্য খণ্ড খণ্ড হৈ পৰিছিল।

## সাতবাহন শাসন ব্যৱস্থা (Administrative system of the Satavahanas)

সাতবাহন যুগৰ শিলালিপি, মুদ্ৰা আৰু প্ৰাকৃত সাহিত্যৰ পৰা সাতবাহন ৰজাসকলৰ ৰাজত্ব কালৰ শাসন ব্যৱস্থাৰ বিষয়ে জানিব পাৰি। যিহেতু সাতবাহন ৰজাসকল ব্ৰাহ্মণ ধৰ্মৰ প্ৰতি গভীৰ বিশ্বাসী আছিল সেয়ে তেওঁলোকৰ শাসন ব্যৱস্থা ধৰ্মশাস্ত্ৰৰ আইনৰ ওপৰত প্ৰতিষ্ঠিত আছিল। তেওঁলোকৰ শাসন ব্যৱস্থা মৌৰ্য্য যুগৰ শাসনৰ সৈতে সাদৃশ্য আছিল। ৰজাৰ হাততে সকলো ক্ষমতা ন্যস্ত আছিল। ৰাজতন্ত্ৰ পুৰুষানুক্ৰমে বংশানুক্ৰমিক আছিল। সাতবাহন ৰজাসকলৰ মাজত বহু বিবাহ পদ্ধতি প্ৰচলিত আছিল যদিও উত্তৰাধিকাৰীক লৈ কোনো বিতৰ্ক বা বিবাদ হোৱা নাছিল। সাতবাহন ৰজাসকলে ঐশ্বৰিক ক্ষমতা বা শক্তিৰ অধিকাৰী বুলি দাবী কৰা নাছিল যদিও ৰাম, ভীম, অৰ্জুন আদিৰ গুণৰ অধিকাৰী বুলি ভাবিছিল। ৰজাসকলে কেতিয়াও স্বেচ্ছাচাৰী ক্ষমতা প্ৰয়োগ



কৰা নাছিল। ৰজা আছিল মুখ্য সামৰিক সেনাধ্যক্ষ আৰু তেওঁ যুদ্ধক্ষেত্ৰত সামৰিক বাহিনীক নেতৃত্বও প্ৰদান কৰিছিল। ৰজাৰ পুত্ৰক ৰাজকুমাৰ বোলা হৈছিল। তেওঁলোকে সাধাৰণতে প্ৰদেশবোৰত ৰজাৰ বিশ্বাসী ভাইচৰয় হিচাবে কাম কৰিছিল। যদি ৰজাৰ উত্তৰাধিকাৰীজন নাবালক হয় তেতিয়া মৃত ৰজাৰ পত্নী নাবালক পুত্ৰৰ অভিকত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰিছিল।

ৰাজ্যৰ শাসন ব্যৱস্থা পৰিচালনা কৰাত ৰজাক মন্ত্ৰী পৰিষদ বা উচ্চ বিষয়াসকলে সহায় কৰিছিল আৰু তেওঁলোকক ৰজাই গুণ আৰু দক্ষতাৰ ওপৰত ভিত্তি কৰি নিয়োগ কৰিছিল। মন্ত্ৰী পৰিষদে প্ৰশাসনত গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল।

শাসনৰ সুবিধাৰ বাবে ৰাজ্যখনক বহুতো প্ৰদেশত ভাগ কৰা হৈছিল। এই প্ৰদেশবোৰক জনপদ বোলা হৈছিল। প্ৰতিখন প্ৰদেশ এজন গভৰ্ণৰৰ অধীনত ৰখা হৈছিল আৰু কেন্দ্ৰীয় চৰকাৰৰ দৰে তেওঁক এখন মন্ত্ৰী পৰিষদে সহায় কৰিছিল। প্ৰদেশৰ শাসন কম বেছি পৰিমাণে সামৰিক পদ্ধতিৰে চলোৱা হৈছিল। জনসম্পদবোৰ বহুতো অহৰৰ (Aharas) সমষ্টিৰ দ্বাৰা গঠিত হৈছিল। প্ৰতিখন অহৰ জিলাৰ সদৃশ আছিল। অহৰ বা জিলাবোৰ বহুতো গাঁওৰ সমষ্টিত গঠিত হৈছিল। প্ৰদেশৰ পিছতে থকা জিলাবোৰ সামৰিক সেনাধ্যক্ষৰ অধীনত আছিল। চহৰীয়া অঞ্চলৰ শাসন ব্যৱস্থা গ্ৰামিকৰ অধীনত দিয়া হৈছিল আৰু তেওঁ সামৰিক ৰেজিমেণ্টৰ মুৰব্বী আছিল। সামৰিক ৰেজিমেণ্টটো নখন ৰথ, নটা হাতী, ২৫ টা ঘোঁৰা আৰু ৪৫ জন পদাতিক বাহিনীৰে গঠিত হৈছিল। সাতবাহন সকলৰ সামৰিক শাসনৰ প্ৰমাণ কিছুমান শব্দ যেনে কটক আৰু স্কন্ধবৰ আদিৰ দ্বাৰা জানিব পাৰি। এইবোৰ এক প্ৰকাৰ সামৰিক শিবিৰ আৰু সামৰিক আস্থানৰ নাম আছিল। সাতবাহন ৰাজত্বকালত প্ৰশাসনৰ নিম্ন গোটটো আছিল গাঁও আৰু ইয়াৰ তদাৰক গাওঁৰ মুৰব্বীজনে কৰিছিল। গাঁওৰ মুৰব্বীজনে বহুতো উচ্চ বিষয়াৰ সহায়ত গাঁওৰ শাসন পৰিচালনা কৰিছিল।

সাতবাহন শাসনৰ আন এটা বিশেষত্ব আছিল বহুতো সামন্তৰ উপস্থিতি। সামন্তবোৰক তিনিটা বহন ভাগত ভাগ কৰা হৈছিল। ৰজাৰ সমানে উচ্চ স্থানৰ সামন্তসকলক ৰাজা (Raja) বোলা হৈছিল আৰু তেওঁলোকে মোহৰ মৰাৰ অধিকাৰ লাভ কৰিছিল। দ্বিতীয় মৰ্যাদাৰ সামন্তসকল মহাভোজ আৰু মহাৰথীসকলৰ দ্বাৰা গঠিত হৈছিল। সামন্তসকলৰ তৃতীয় পৰ্যায়ৰ সকল আছিল সেনাপতিসকল। এই সামন্তবোৰে নিজৰ নিজৰ বিচাৰ ক্ষেত্ৰৰ ভিতৰত উল্লেখনীয় ক্ষমতা লাভ কৰিছিল।

সামন্তসকলৰ উপৰিও ৰজাক শাসন কাৰ্য্যত সহায় কৰাৰ বাবে তাত নিয়মিত কৰ্মচাৰী আছিল। তেওঁলোক আছিল মহাতাৰক, ভণ্ডগাৰিক, হেৰানিক, মহামন্ত্ৰ, দূত, প্ৰতিহাৰ আদি।

সাতবাহন ৰাজত্বকালত প্ৰজাৰ ওপৰত গধুৰ কৰৰ বোজা আৰোপ কৰা হোৱা নাছিল। ৰাজকীয় ভূমি, লোণ আদিৰ পৰা ৰাজহ সংগ্ৰহ কৰা হৈছিল। ৰাজহ নগদ ধন আৰু সেৱাৰে আদায় কৰা হৈছিল। বেছি সংখ্যক বিষয়া আৰু সামৰিক বাহিনীৰ লোকে বেতনৰ পৰিৱৰ্তে ভূমি লাভ কৰিছিল।

### সামাজিক অৱস্থা (Social Condition)

পৌৰাণিক দস্তুৰ মতে সাতবাহন সমাজ চৰ্তুবৰ্ণৰ ওপৰত প্ৰতিষ্ঠিত আছিল। যিহেতু বেছি সংখ্যক ৰজা ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰতি গভীৰ অনুৰাগী আছিল, তেওঁলোকে চৰ্তুবৰ্ণ নীতিৰ ওপৰত অধিক গুৰুত্ব দিছিল। কাৰ্যত গৌতমী পুত্ৰ শতকৰ্ণিয়ে দাবী কৰিছিল যে তেওঁ বিশৃংখল হ'ব ধৰা চাৰিবৰ্ণ প্ৰথা পুনৰ প্ৰতিষ্ঠা কৰিছিল। সেই সময়ত ব্ৰাহ্মণসকলে উচ্চ স্থান আৰু উচ্চ সন্মান লাভ কৰিছিল। কিন্তু ক্ষত্ৰিয়সকলে উপযুক্ত সমাদৰ লাভ কৰা নাছিল। চৰ্তুবৰ্ণৰ দ্বাৰা সমাজ বিভাজিত আছিল যদিও বাস্তৱ ক্ষেত্ৰত সমাজৰ মানুহবোৰ বৃত্তিৰ ওপৰত ভিত্তি কৰি চাৰি ভাগত বিভক্ত হৈ পৰিছিল। প্ৰথম শ্ৰেণীটো আছিল মহাৰথী, মহাভোজ আৰু মহা সেনাপতি। তেওঁলোকে সমাজত উচ্চ শ্ৰেণী হিচাবে স্থান



লাভ কৰিছিল। ৰাষ্ট্ৰ বা জিলাৰ দায়িত্বত থকা এইসকল আছিল সামন্ত নেতা। সমাজৰ দ্বিতীয় শ্ৰেণীটো চৰকাৰী আৰু বেচৰকাৰী বিষয়াক লৈ গঠিত হৈছিল। চৰকাৰী বিষয়াসকল আছিল অমাত্য, মহামাত্ৰ আৰু ভণ্ডগাৰিকসকল। আনহাতে বেচৰকাৰী বিষয়াসকল আছিল সদাগৰ (নৈগাম), সাৰ্থবাহ, শ্ৰেষ্ঠী আদি। তৃতীয় শ্ৰেণীটো আছিল লেখক, বৈদ্য, কৃষক, সোণাৰী, গন্ধিক আদি। চতুৰ্থ শ্ৰেণীটো মিস্ত্ৰী, মালাকৰ, কমাৰ, মাছমৰীয়াক লৈ গঠিত হৈছিল।

মহিলাসকলে সমাজত সন্মানীয় আসন বা স্থান লাভ কৰিছিল আৰু তেওঁলোকৰ ওপৰত ৰাজ্যৰ প্ৰশাসনৰ গুৰুত্বপূৰ্ণ দায়িত্ব ন্যস্ত কৰা হৈছিল। উদাহৰণস্বৰূপে শ্ৰীশতকৰ্ণিৰ বিধৱা পত্নীয়ে পুত্ৰ নাবালক হৈ থকা বাবে ৰাজ্যৰ কাম কাজ পৰিচালনা কৰিছিল। সাতবাহন ৰজাসকলে গ্ৰহণ কৰা উপাধিৰ পৰা সমাজৰ নাৰীৰ উচ্চ স্থানৰ বিষয়ে জানিব পাৰি। এই উপাধিবোৰ আছিল গৌতমীপুত্ৰ, বশিষ্ঠিপুত্ৰ, মাথৰিপুত্ৰ আদি। সেই সময়ত পুৰুষৰ সৈতে নাৰীয়েও সমভাবে ধৰ্মীয় অনুষ্ঠানত অংশ গ্ৰহণ কৰিছিল। ৰাণী নগণিকা (নয়ণিকা) ৰ নানাঘাট শিলালিপিৰ মতে অশ্বমেধ যজ্ঞত নাৰীয়ে অংশ গ্ৰহণ কৰিছিল। সমাজত বিধৱা সকলক ঘৃণা কৰা নাছিল আৰু সকলোৱে সন্মান কৰিছিল।

### ধৰ্মীয় অৱস্থা (Religious Conditions)

যদিও সাতবাহন ৰজাসকল ব্ৰাহ্মণ্যধৰ্মী আছিল তেওঁলোকৰ শাসনকালত বৌদ্ধ ধৰ্মইও জনপ্ৰিয়তা লাভ কৰিছিল। ব্ৰাহ্মণ্যধৰ্মী সাতবাহন ৰজাসকলে বৈদিক হিন্দু ধৰ্ম অনুসৰণ কৰিছিল আৰু তেওঁলোকে বহুতো অশ্বমেধ যজ্ঞ সম্পাদন কৰিছিল। প্ৰথম শতকৰ্ণিয়ে দুটা অশ্বমেধ যজ্ঞ আৰু এটা ৰাজসূয় যজ্ঞ বৈদিক ৰীতিমতে সম্পাদন কৰিছিল। তাৰোপৰি তেওঁ অগ্নাধ্যেয়, অন্নৰম্ভণিয়, গৱময়, অংগিৰাসত্ৰিৰাত্ৰ, গৰ্গতিৰাত্ৰ আদি নানা প্ৰকাৰৰ যজ্ঞ সম্পাদন কৰিছিল; ব্ৰাহ্মণসকলক উপযুক্ত দান দক্ষিণাও কৰিছিল। দক্ষিণা হিচাবে ৰজাই এবাৰ ৪২,৭০০ গাই গৰু, ১০ টা হাতী ১০০০ ঘোঁৰা, ১৭ টা

Scanned by CamScanner

ৰূপৰ পাত্ৰ এখন ৰথ আৰু ৬৮০০০ কৰ্চপন আগবঢ়াইছিল। কেতিয়াবা দক্ষিণা হিচাবে গাঁও আগবঢ়াইছিল।

সাতবাহন ৰজাসকলে শঙ্কৰাসন, বসুদেৱ, ইন্দ্ৰ, সূৰ্য্য আৰু চন্দ্ৰক পূজা কৰিছিল। ৰজা হলৰ সপ্তসতীত ইন্দ্ৰ, কৃষ্ণ, পশুপতি আৰু গৌৰীৰ পূজাৰ উল্লেখ আছে। তাত উল্লেখ কৰা শিৱপালিত শিৱমণ্ডিত, শিৱদত্ত, কুমাৰ আদিৰ উল্লেখে শিৱ আৰু স্কন্দৰ পূজাৰ সম্ভেদ দিয়ে। একেদৰে বিষ্ণুপালিত, বেণু আৰু লচিনিকাৰ উল্লেখে বিষ্ণু পূজাৰ প্ৰতিষ্ঠা হোৱাৰ বিষয়ে তথ্য দিয়ে।

সাতবাহন ৰজাসকলে অনুসৰণ কৰা ধৰ্মীয় সহিষ্ণুশীল নীতিয়ে ব্ৰাহ্মণ্য ধৰ্মৰ লগতে বৌদ্ধ ধৰ্মকো বিকাশ লাভ কৰাত সহায় কৰিছিল। সাতবাহন ৰজাসকলে বৌদ্ধধৰ্মৰ প্ৰতি উদাৰভাৱে ৰাজকীয় পৃষ্ঠপোষকতা আগবঢ়াইছিল আৰু বৌদ্ধ সন্ন্যাসীসকলৰ বাবে স্তূপ আৰু গুহা নিৰ্মাণ কৰাৰ উপৰিও তেওঁলোকৰ ভৰণ-পোষণৰ বাবে ধন আৰু গাঁও দান কৰিছিল।

### অৰ্থনৈতিক অৱস্থা (Economic Conditions)

সাতবাহন ৰাজত্বকালত ৰাজ্য সম্পূৰ্ণ স্বচ্ছল আছিল। মানুহৰ প্ৰধান বৃত্তি আছিল কৃষি । কৃষি শস্যৰ উপৰিও তেওঁলোকে কপাহ উৎপাদন কৰিছিল। কৃষ্ণা আৰু গোদাবৰী মাজৰ অঞ্চলত প্ৰচুৰ ধান খেতি হৈছিল । শ্ৰেণী বা শিল্প কৰ্মৰ সমাজ বা ব্যৱসায়ী সমাজ সাতবাহন যুগৰ সাধাৰণ বৈশিষ্ট্য। বিভিন্ন শিল্পকৰ্মৰ সৈতে জড়িত সকল আছিল তেল ঘানীত কাম কৰা লোক, পানী যন্ত্ৰত কাম কৰা শিল্পী, কুমাৰ, তাঁতী, বাঢ়ৈ আদি। শ্ৰেণীবোৰ শিল্প বা ব্যৱসায়ী সমাজেই নাছিল, তেওঁলোকে ধন জমা ৰখা আৰু ঋণ দিয়াৰ কামো কৰিছিল।

সাতবাহন ৰজাসকলৰ ৰাজত্বকালত বৈদেশিক ব্যৱসায় বাণিজ্যৰ উন্নতি হৈছিল। দাক্ষিণাত্যই পশ্চিমীয়া দেশবোৰৰ সৈতে বাণিজ্যিক সম্পৰ্ক স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। পশ্চিমীয়া দেশৰ পৰা বাণিজ্যিক জাহাজ ৰুদ্ৰ সাগৰ আৰু আৰব সাগৰেৰে যাত্ৰা কৰিছিল। তাৰ পৰা কিছুমান জাহাজ



ভাৰতলৈ আহিছিল। সদাগৰ আৰু ব্যৱসায়ী দলবোৰে সামগ্ৰী লৈ ৰাজ্যৰ বিভিন্ন ঠাইলৈ গৈছিল। সাতবাহন যুগত ৰাস্তা-ঘাটৰ উন্নতি সাধন হোৱাৰ ফলত ব্যৱসায়-বাণিজ্যই ৰাজ্যৰ আভ্যন্তৰত প্ৰসাৰ লাভ কৰিছিল। ৰাজ্যৰ বিভিন্ন অংশৰ পৰা বাণিজ্যিক কেন্দ্ৰবোৰ স্পৰ্শ কৰিব পৰাকৈ পথৰ উন্নতি সাধন কৰিছিল। সেই সময়ত বিখ্যাত বাণিজ্যিক কেন্দ্ৰবোৰ আছিল পট্টন, নাচিক, জুনাৰ আৰু কাইদ। সাতবাহন যুগতে বৈদেশিক বাণিজ্য মালয়, ব্ৰোচ আৰু কল্যাণৰ সৈতে বাণিজ্যিক সম্পৰ্ক গঢ়ি উঠিছিল। ভাৰতৰ পৰা সেইবোৰ দেশলৈ ৰপ্তানি হোৱা সামগ্ৰীবোৰ আছিল-মুচলিন, মচলা, কপাহ আদি আৰু আমদানিকৃত সামগ্ৰীবোৰ আছিল সুৰা, গ্লাচ আৰু বিলাসী সামগ্ৰী। ৰোমদেশৰ সৈতে সাতবাহনসকলে বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিছিল।

### শিল্পকলা আৰু সাহিত্য (Art and Literature)

সাতবাহনসকল সাহিত্য আৰু সুকুমাৰ কলাৰ মহান পৃষ্ঠপোষক আছিল। সাতবাহনসকলে তেওঁলোকৰ কাৰ্য্যালয়ৰ ভাষা হিচাপে প্ৰাকৃত ভাষা ব্যৱহাৰ কৰিছিল। সাতবাহন যুগৰ বেছি সংখ্যক শিলালিপি ব্ৰাহ্মী লিপিত প্ৰাকৃত ভাষাৰে ৰচনা কৰা হৈছিল। কিছুমান শাসক আৰু তেওঁলোকৰ মন্ত্ৰীসকলে মূল্যবান সাহিত্য সৃষ্টি কৰিছিল। সাতবাহন ৰজা হ'লই (Hala) গাথা-সপ্তসতি ৰচনা কৰিছিল। সাতবাহন মন্ত্ৰী গুণাধ্যই পৈশাচী প্ৰাকৃতত বৃহৎ কথা ৰচনা কৰিছিল। একেদৰে সৰ্বৰমনে সংস্কৃত ব্যাকৰণ কতন্ত্ৰ (Katantra) ৰচনা কৰিছিল, দুখন বিখ্যাত সংস্কৃত সাহিত্য বাৎসায়ণৰ কামসূত্ৰ আৰু শূদ্ৰকৰ মৃচ্ছকটিকাও সম্ভৱতঃ সাতবাহন যুগতে ৰচনা কৰা বুলি ধাৰণা কৰা হৈছে।

সাতবাহন যুগতে শিল্পকলা আৰু স্থাপত্যৰ উন্নতি হৈছিল। এই সময়ছোৱাতে অসংখ্য মন্দিৰ আৰু মঠ উত্তৰ-পশ্চিম দাক্ষিণাত্যত শিল কাটি নিৰ্মাণ কৰা হৈছিল । এনে প্ৰকাৰৰ গঠন প্ৰক্ৰিয়াক চৈত্য আৰু বিহাৰ বোলা হৈছিল। সেই সময়ৰ বিখ্যাত চৈত্যটো আছিল পশ্চিম দাক্ষিণাত্যৰ কাৰ্লেত

Scanned by CamScanner

নিৰ্মিত চৈত্য বা মন্দিৰটো। ইয়াৰ দৈৰ্ঘ আছিল ৪০ মিটাৰ, বহল আছিল ১৫ মিটাৰ আৰু উচ্চতা আছিল ১৫ মিটাৰ। বিহাৰবোৰ বৌদ্ধ সন্ন্যাসীৰ আশ্ৰয়ৰ বাবে নিৰ্মাণ কৰা হৈছিল। সেই সময়ত নিৰ্মাণ কৰা বিখ্যাত বিহাৰটো আছিল নাচিকত নিৰ্মাণ কৰা বিহাৰ আৰু ইয়ে নাহাপনা আৰু গৌতমীপুত্ৰৰ শিলালিপি খোদিত হৈ আছে। বহুতো স্তুপ ইলোৰাত নিৰ্মাণ কৰা হৈছিল। বুদ্ধৰ স্মৃতি ৰক্ষাৰ বাবে এই স্তুপবোৰ নিৰ্মাণ কৰা হৈছিল। সাতবাহন ৰাজত্বকালত নিৰ্মাণ কৰা আন গুৰুত্বপূৰ্ণ স্তুপ আছিল অমৰাৱতী আৰু নাগাৰ্জুণকুণ্ড স্তুপ।

## ভাৰতীয়-গ্ৰীক শাসকসকল বা ইণ্ডো-গ্ৰীক শাসকসকল
## (Indo-greek Rulers or Bactrian greeks in India)

মৌৰ্য্য সাম্ৰাজ্যৰ পতনৰ লগে লগে ভাৰতত বহুতো স্বাধীন ৰাজ্যৰ উত্থান হৈছিল আৰু উত্তৰ-পশ্চিম দিশৰ পৰা বিদেশী আক্ৰমণ আৰম্ভ হৈছিল। ভাৰত আক্ৰমণ কৰা প্ৰথম বিদেশী সকল আছিল ইন্দো-গ্ৰীক আৰু তেওঁলোকে উত্তৰ-পশ্চিম ভাৰতত শাসন প্ৰতিষ্ঠা কৰিছিল আৰু প্ৰায় ২ শতিকা ধৰি ভাৰত শাসন কৰিছিল। ২৫০ খৃঃপূঃত চেলুকচৰ নাতি এণ্টিওকাছৰ শাসনকালত বেকট্ৰিয়া আৰু পাৰ্থিয়া প্ৰদেশ দুখনে চেলুকচৰ সাম্ৰাজ্যৰ পৰা ওলাই গৈ স্বাধীনতা ঘোষণা কৰিছিল। পাৰ্থিয়াসকলে কাস্পিয়ান সাগৰৰ দক্ষিণ-পূৱত ৰাজ্য স্থাপন কৰিছিল আৰু বেকট্ৰিয়াসকলে হিন্দুকুশ পৰ্বতৰ পূব আৰু উত্তৰ দিশত ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। ক্ৰমশঃ বেকট্ৰিয়াৰ গ্ৰীক শাসকসকল শক্তিশালী হৈ পৰিছিল আৰু ভাৰতৰ দিশত সাম্ৰাজ্য সম্প্ৰসাৰণ কৰিবলৈ আঁচনি প্ৰস্তুত কৰিছিল। ইতিমধ্যে মৌৰ্য্য সাম্ৰাজ্য ভাঙি টুকুৰা-টুকুৰ হৈ পৰিছিল আৰু এই ভাঙোন ৰোধ কৰাৰ বাবে মগধৰ সিংহাসনত কোনো শক্তিশালী ৰজা নাছিল। মৌৰ্য্যৰ অস্থিৰ ৰাজনৈতিক পৰিস্থিতিয়ে বেকট্ৰিয়া আৰু পাৰ্থিয়াৰ গ্ৰীক শাসক সকলক দক্ষিণ-পূৱ ভাৰতৰ পিনে ৰাজ্য সম্প্ৰসাৰণ কৰিবলৈ উৎসাহ

Scanned by CamScanner